**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-10-2024
**Time :** 1205 Hrs.

***Assamese Bulletin***

-----------------------------

বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে আজি ইছলামাবাদত হ'বলগীয়া চাংহাই সহযোগিতা সংস্থাৰ চৰকাৰ প্ৰধানসকলৰ পৰিষদৰ ২৩ সংখ্যক বৈঠকত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে চুবুৰীয়া ৰাষ্ট্ৰ পাকিস্তানৰ দুদিনীয়া ভ্ৰমণসূচীৰে ইতিমধ্যে ৰাজধানী ইছলামাবাদত উপস্থিত হৈছে। পাকিস্তানৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা চাংহাই সহযোগিতা সংস্থাৰ এই বৈঠকত ড০ জয়শংকৰে ভাৰতক প্ৰতিনিধিত্ব কৰে। ভাৰতে চাংহাই সহযোগিতা সংস্থাৰ সকলো ধৰণৰ কাম-কাজৰ সৈতে সক্ৰিয়ভাৱে ভাগ লৈ আহিছে। প্ৰতি বছৰে চাংহাই সহযোগিতা সংস্থাৰ চৰকাৰ প্ৰধানসকলৰ পৰিষদৰ বৈঠকৰ আয়োজন কৰা হয় আৰু এই বৈঠকত বাণিজ্য আৰু অৰ্থনৈতিক কাৰ্যসূচী লৈ আলোচনা কৰা হয়।

ড০ জয়শংকৰে ইতিপূৰ্বে তেওঁৰ পাকিস্তান যাত্ৰাৰ উদ্দেশ্য বহুপাক্ষিক বুলি মত প্ৰকাশ কৰিছিল আৰু দ্বিপাক্ষিক আলোচনাৰ সম্ভাৱনা নুই কৰিছিল। বিগত ৯ বছৰত এয়া ভাৰতীয় বিদেশ মন্ত্ৰীৰ প্ৰথম উচ্চ পৰ্যায়ৰ পাকিস্তান ভ্ৰমণ।

ইপিনে আজি পুৱা ড০ জয়শংকৰে ভাৰতীয় উচ্চায়ুক্ত কাৰ্যালয়ৰ সন্মুখত **এক পেড় মা কে নাম** শীৰ্ষক কাৰ্যসূচীৰ অধীনত এটি অৰ্জুন গছৰ পুলি ৰোপণ কৰে।

০০০০০০০

ঐশ্বৰ্য বিভূতিৰ কামনাৰে আজি ৰাজ্যত ধন আৰু সৌভাগ্যৰ দেৱী শ্ৰীশ্ৰীলক্ষ্মী দেৱীৰ পূজা কৰা হ'ব। পঞ্জিকা অনুসৰি আজি নিশা ৮ বাজি ৪০ মিনিটত লক্ষ্মী পূৰ্ণিমা তিথি আৰম্ভ হৈ কাইলৈ বিয়লি ৪ বাজি ৫৫ মিনিটত সমাপ্ত হ'ব। গুৱাহাটী মহানগৰীতো বিস্তৃত কাৰ্যসূচীৰে লক্ষ্মী দেৱীৰ পূজা-অৰ্চনা কৰা হ'ব। এই উপলক্ষে বজাৰসমূহ লক্ষ্মী দেৱীৰ মূৰ্তিৰ লগতে পূজাৰ সামগ্ৰীৰে ভৰি পৰিছে।

প্ৰতিবছৰৰ দৰে এইবাৰো ৰাজ্যৰ প্ৰান্তে প্ৰান্তে লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। বৰপেটা জিলাৰ বিভিন্ন স্থানত অৱস্থিত লক্ষ্মী মন্দিৰত ধন আৰু ঐশ্বৰ্যৰ দেৱী লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। ঠাইবিশেষে ৩ৰ পৰা ৭ দিনীয়া কাৰ্যসূচীৰে এই পূজাৰ আয়োজন কৰা হৈছে। পূজাৰ পৰম্পৰাগত ৰীতি-নীতিৰ লগতে বিভিন্ন প্ৰতিযোগিতা, নাট প্ৰদৰ্শন, মেলা আদি অনুষ্ঠিত হ'ব। জিলাখনৰ কেওটকুছিত সাদিনীয়াকৈ লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। আনহাতে হাউলীৰ ন-মাটি সত্ৰ, মৌটুপুৰী, হালাপাগুৰি আদিতো লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে।

বাক্সা জিলাতো ঐশ্বৰ্যৰ অধিষ্ঠাত্ৰী লক্ষ্মী দেৱীৰ পূজা উৎসৱ হিচাপে উদযাপন কৰি অহা হৈছে। জিলাখনৰ ভিন ভিন ঠাইত এদিনীয়াৰ পৰা ১০ দিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা লক্ষ্মী পূজাৰ প্ৰস্তুতি ইতিমধ্যে প্ৰায় সম্পূৰ্ণ হৈ উঠাৰ লগতে ঠায়ে ঠায়ে পূজাৰ প্ৰাৰম্ভিক কাৰ্যসূচী আৰম্ভ হৈছে। এই সন্দৰ্ভত আমাৰ বাক্সা জিলাৰ সংবাদদাতা দামোদৰ তালুকদাৰে এনেদৰে কয়-

**ভইচ কাষ্ট**

ইফালে, চিৰাং জিলাৰ ঐতিহাসিক বিজনী চহৰৰ বিজনী শ্ৰীশ্ৰী লক্ষ্মী পূজা সমিতিৰ উদ্যোগত আজিৰে পৰা ১৩৩ সংখ্যক শ্ৰীশ্ৰী লক্ষ্মী পূজা আৰু মেলা মহোৎসৱ ১২-দিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। একেদৰে কাজলগাঁও লক্ষ্মী পূজা আৰু ব্ৰহ্ম মন্দিৰতো আজিৰে পৰা ১২ দিনীয়াকৈ শ্ৰীশ্ৰীলক্ষ্মী আৰু মেলা মহোৎসৱ আৰু ধুবুৰী জিলাৰ বিলাসীপাৰাৰ ৰোকাখাটা সাৰ্বজনীন লক্ষ্মী মন্দিৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে।

০০০০০০০

নিৰ্বাচন আয়োগে মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডৰ বিধানসভা নিৰ্বাচনৰ উপৰি অসমৰ ৫ টাকে ধৰি দেশৰ ৪৮ টা বিধানসভা সমষ্টিত উপ নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। এই অনুসৰি অহা ১৩ নৱেম্বৰত ৱাইনাড সংসদীয় আসনখনৰ বাবেও উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। অসমৰ ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰি সমষ্টিত খালী হোৱা আসন ৫ খনৰ বাবেও অহা ১৩ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব।

আনহাতে, মেঘালয়ৰ এখন আৰু চিকিমৰ দুখন বিধানসভা আসনৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। ইপিনে, উত্তৰাখণ্ড আৰু মহাৰাষ্ট্ৰত নন্দেৰ বিধানসভা আসনৰ বাবে ২০ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। ইপিনে, মহাৰাষ্ট্ৰত এটা পৰ্যায়ত ২০ নৱেম্বৰত আৰু ঝাৰখণ্ডত ২ টা পৰ্যায়ত ১৩ আৰু ২০ নৱেম্বৰত বিধানসভা নিৰ্বাচন অনুঠিত হ'ব। নতুন দিল্লীত নিৰ্বাচনৰ সূচী ঘোষণা কৰি মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে কয় যে, অহা ২২ অক্টোবৰত ২৮৮ জনীয়া মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰা হ'ব আৰু অহা ২৯ অক্টোবৰ পৰ্যন্ত মনোনয়ন দাখিল কৰিব পৰা যাব। ঝাৰখণ্ডত অহা ১৮ অক্টোবৰত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে অধিসূচনা জাৰি কৰা হ'ব আৰু ২৫ অক্টোবৰ পৰ্যন্ত প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিব পাৰিব। দ্বিতীয় পৰ্যায়ৰ বাবে ৰাজ্যখনত ২২ তাৰিখে অধিসূচনা জাৰি কৰা হ'ব আৰু ২৯ অক্টোবৰলৈ মনোনয়ন দাখিল কৰিব পাৰিব।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ কথাশিল্প অনুষ্ঠানত প্ৰচাৰ কৰিবলগীয়া ড° ৰুবুল মাউতৰ মোৰো এটা সপোন আছে নামৰ গ্ৰন্থখনৰ ধাৰাবাহিক পাঠৰ শীৰ্ষ গীতৰ প্ৰতিযোগিতাত লখিমপুৰৰ ইউৰেকা কাকতি চূড়ান্ত বিজয়ী হৈছে। আনহাতে, গুৱাহাটীৰ অসম জাতীয় বিদ্যালয়ৰ গহনা চক্ৰৱৰ্তীয়ে বিচাৰকৰ বিশেষ বঁটা লাভ কৰিছে। উল্লেখযোগ্য যে নৱেম্বৰ মাহৰ পৰা এই গ্ৰন্থখনৰ ধাৰাবাহিক পাঠ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

সমাপ্ত